ব্যৱধানত এনে পিয়ল
ৰ আগত ভাৰতবৰ্ষ,
phic Transition)ৰ
সঞ্চৰণৰ দ্বিতীয় স্তৰ
য়। সি যি কি নহওক,
খ্যা অথবা জনসংখ্যা
ত বৃদ্ধি হোৱা নাছিল।
নিৰ্দেশকসমূহো যথেষ্ট
সাক্ষৰতাৰ হাৰ 16
ভিতৰত মহিলাৰ
। (প্ৰায় 7 শতাংশ)।
জনস্বাস্থ্যৰ সুবিধাৰ
তিয়াবা থাকিলেও
পানী আৰু বায়ুৰ
হে প্ৰচণ্ড মূৰ্তি ধাৰণ
টাইছিল। আচৰিত
ৰ হাৰ যথেষ্ট উচ্চ

আছিল। বিশেষকৈ, শিশুৰ মৃত্যুৰ হাৰ যথেষ্ট ভয়াৱহ আছিল। বৰ্তমানৰ প্ৰতি হাজাৰত 63 টা শিশুৰ মৃত্যুৰ বিপৰীতে তেতিয়া প্ৰতি হাজাৰত প্ৰায় 218 টা শিশুৰ মৃত্যু হৈছিল। জীৱন প্ৰত্যাশা (Life Expectancy)ও অতি নিম্ন আছিল। বৰ্তমানৰ 63 বছৰৰ বিপৰীতে সেই সময়ত জীৱন প্ৰত্যাশা আছিল মাত্ৰ 32 বছৰ। বিশ্বাসযোগ্য তথ্যৰ অভাৱত সেই সময়ৰ দৰিদ্ৰতাৰ বিস্তৃতি নিৰ্দিষ্টকৈ ক'ব নোৱাৰি। কিন্তু সন্দেহ নাই যে ঔপনিৱেশিক শাসন কালত ভাৰতবৰ্ষত ব্যাপক দাৰিদ্ৰ্যই বিৰাজ কৰিছিল আৰু ই সেই সময়ৰ ভাৰতবৰ্ষৰ জনসাধাৰণৰ অৱনতিপূৰ্ণ দৃশ্যপটলৈ অৰিহণা যোগাইছিল।

## 1.7 বৃত্তিগত গাঁথনি (Occupational Structure)ঃ

বৃত্তিগত গাঁথনি, অৰ্থাৎ ঔপনিৱেশিক সময়ত ভাৰতবৰ্ষত বিভিন্ন উদ্যোগ তথা খণ্ডৰ মাজত কৰ্মৰত লোকৰ বিতৰণত পৰিৱৰ্তনৰ কোনো চিন নাছিল।



ষ্টিহীনতা আৰু অনুন্নত স্বাস্থ্য সেৱাৰ সুবিধায়ো ব্ৰিটিছ শাসিত
তবৰ্ষত জনসংখ্যাৰ লেহেমীয়া বৃদ্ধি ঘটাইছিল।


> **কৰি চোৱা ঃ (Work These Out)**
>
> ➤ ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগতে সঘনাই উৎপত্তি হোৱা দুৰ্ভিক্ষৰ কাৰণসমূহ বিচাৰি উলিয়াব পাৰিবানে? ন'বেল বঁটা বিজয়ী অমৰ্ত্য সেনৰ 'Poverty and Famines' পুথিখন পঢ়ি চাব পাৰা।
>
> ➤ স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষৰ বৃত্তিগত গাঁথনিৰ (Occupational Structure) এটা পাইচিত্ৰ প্ৰস্তুত কৰা।

মুঠ শ্ৰমিকৰ এক বৃহৎ অংশ অৰ্থাৎ প্ৰায় 70-75 শতাংশ কেৱল কৃষিখণ্ডত নিয়োজিত আছিল। আনহাতে নিৰ্মাণ খণ্ড তথা সেৱা খণ্ডত যথাক্ৰমে 10 শতাংশ আৰু 15-20 শতাংশ নিয়োজিত আছিল। বৰ্ধিত আঞ্চলিক বৈষম্য আছিল আন এটা চকুত পৰা দিশ। তেতিয়াৰ মাদ্ৰাজ প্ৰেচিডেন্সি (বৰ্তমানৰ তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, কেৰালা আৰু কৰ্ণাটক)ৰ কিছু অংশ মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগত শ্ৰমিকৰ কৃষিখণ্ডত নিৰ্ভৰশীলতা হ্ৰাস পাইছিল আৰু সম অনুপাতত নিৰ্মাণ খণ্ড আৰু সেৱাখণ্ডত শ্ৰমিকৰ সংখ্যা বৃদ্ধি পাইছিল। অৱশ্যে একে সময়তে উৰিষ্যা, ৰাজস্থান আৰু পঞ্জাৱ আদি অন্যান্য ৰাজ্যত কৃষিখণ্ডত শ্ৰমিকৰ অংশ বৃদ্ধি পাইছিল।

## 1.8 আন্তঃগাঁথনি (Infrastructure) ঃ


ঔপনিৱেশিক শাসন কালত ভাৰতবৰ্ষৰ মূল আন্তঃগাঁথনিমূলক ব্যৱস্থাসমূহ যেনে— ৰে'ল, বন্দৰ, জলপৰিবহন আৰু ডাক-তাঁৰ সেৱাৰ উন্নতি ঘটিছিল। অৱশ্যে এনে উন্নয়নৰ অন্তৰ্নিহিত উদ্দেশ্য জনসাধাৰণলৈ মৌলিক সা-সুবিধা আগবঢ়োৱাটো নাছিল; বৰঞ্চ বিভিন্ন ঔপনিৱেশিক স্বাৰ্থ পূৰণ কৰাটোহে আছিল। ইংৰাজৰ শাসনৰ আগতে নিৰ্মাণ কৰা ৰাস্তাসমূহ আধুনিক পৰিবহনৰ বাবে উপযুক্ত নাছিল। মূলধনৰ অভাৱ হেতুকে ঔপনিৱেশিক প্ৰশাসনেও এই ক্ষেত্ৰত বিশেষ একো কৰিব পৰা নাছিল। যিবোৰ পথ নিৰ্মাণ কৰা হৈছিল সেই পথসমূহ মূলতঃ ভাৰতবৰ্ষলৈ সৈন্য আনিবলৈ আৰু গ্ৰামাঞ্চলৰ পৰা কেঁচামাল ওচৰৰ ৰে'ল ষ্টেচনলৈ বা বন্দৰলৈ নি সেইসমূহ ইংলেণ্ড তথা অন্যান্য লোভনীয় বিদেশী ৰাষ্ট্ৰলৈ পঠোৱাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। সকলো বতৰতে গাঁও অঞ্চলৰ লগত যোগাযোগ ৰক্ষা কৰিবলৈ সুবিধাজনক পথৰ সদায় অত্যন্ত নাটনি আছিল। সেয়েহে গাঁও অঞ্চলত বসবাস কৰা জনসাধাৰণে প্ৰাকৃতিক দুৰ্যোগ আৰু দুৰ্ভিক্ষৰ সময়ত অৱধাৰিতভাৱে অকথ্য কষ্ট ভোগ কৰিবলগীয়া হৈছিল।

1850 চনত ইংৰাজসকলে ভাৰতবৰ্ষত ৰে'লপথৰ সূচনা কৰে আৰু ই ইংৰাজসকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৰঙণিসমূহৰ ভিতৰত অন্যতম আছিল। ৰে'লপথে ভাৰতবৰ্ষৰ অৰ্থব্যৱস্থাৰ গাঁথনিত দুই ধৰণৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। প্ৰথমতে, এই পৰিবহন ব্যৱস্থাই দেশখনৰ জনসাধাৰণক বহু দূৰ-দূৰণিলৈ ভ্ৰমণত সহায় কৰিছিল আৰু সেয়েহে ভৌগোলিক আৰু সাংস্কৃতিক প্ৰাচীৰ নাইকিয়া হৈছিল। দ্বিতীয়তে, এই ব্যৱস্থাই ভাৰতীয় কৃষিৰ বাণিজ্যিকীকৰণক উৎসাহিত কৰাৰ ফলত ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থব্যৱস্থাৰ তুলনামূলক স্ব-নিৰ্ভৰশীলতাৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছিল। সন্দেহাতীতভাৱে ভাৰতবৰ্ষৰ ৰপ্তানি বাণিজ্যৰ পৰিমাণৰ প্ৰসাৰ ঘটিছিল; কিন্তু ইয়াৰ সুফল ভাৰতীয় জনসাধাৰণে খুব কমেই লাভ কৰিছিল।



*চিত্র. 1.4 ঃ বোম্বাই আৰু থানেক সংলগ্ন কৰা প্ৰথম ৰে'লপথৰ দলং, 1854*

ৰে'ল পৰিবহনৰ সূচনাই ভাৰতীয় জনসাধাৰণৰ বাবে যি সামাজিক সুফলৰ সৃষ্টি কৰিছিল তাৰ তুলনাত দেশখনৰ অৰ্থব্যৱস্থাত ঘটা বৃহৎ লোকচান অধিক আছিল। পথ আৰু ৰে'ল পৰিবহনৰ উন্নতিৰ লগতে ঔপনিৱেশিক শাসকসকলে আভ্যন্তৰীণ বাণিজ্য আৰু সাগৰীয় পথ উন্নয়নৰ বাবেও ব্যৱস্থা হাতত লৈছিল; কিন্তু এই ব্যৱস্থাসমূহ মুঠেই সন্তোষজনক নাছিল। আভ্যন্তৰীণ জলপথসমূহো সময়ে সময়ে অমিতব্যয়ী বুলি প্ৰমাণিত হৈছিল। উদাহৰণস্বৰূপে, উৰিষ্যা উপকূলৰ উপকূলীয় নলাৰ কথা আঙুলিয়াব পাৰি। ৰাজকোষৰ বৃহৎ ব্যয়েৰে এই নলাটো নিৰ্মাণ কৰা হৈছিল যদিও ইয়াৰ সমান্তৰালভাৱে শীঘ্ৰে সমগ্ৰ অঞ্চল অতিক্ৰম কৰা ৰে'লপথৰ লগত ফেৰ মাৰিবলৈ ই ব্যৰ্থ হৈছিল; আৰু সেয়েহে অৱশেষত ইয়াক পৰিত্যাগ কৰিবলগীয়া হৈছিল। তেনেদৰে, ব্যয়বহুল বৈদ্যুতিক টেলিগ্ৰাফ ব্যৱস্থাৰ প্ৰচলনে দেশখনৰ আইন-শৃংখলা ৰক্ষাৰ উদ্দেশ্য পূৰণ কৰিছিল। আনহাতে, জনসাধাৰণৰ বাবে অতি উপযোগী সেৱা আগবঢ়োৱা ডাক-সেৱা সম্পূৰ্ণৰূপে অযথোপযুক্ত আছিল। আন্তঃগাঁথনিৰ



*চিত্ৰ. 1.5 ঃ ভাৰতবৰ্ষৰ উড্ডায়ন খণ্ডৰ আৰম্ভণি ঘটাই টাটা এণ্ড চন্সৰ এটা বিভাগ 'টাটা এয়াৰলাইন্স' প্ৰতিষ্ঠিত হয়– 1932 চনত*

**কৰি চোৱা ঃ (Work This Out)**

- ভাৰতবৰ্ষত ব্ৰিটিছ প্ৰশাসনে বিভিন্নভাৱে সুফল প্ৰদান কৰিছিল বুলি এতিয়াও এটা ধাৰণা চলি আছে। এই ধাৰণা সন্দৰ্ভত তথ্যভিত্তিক বিতৰ্কৰ প্ৰয়োজন আছে। এই ধাৰণাৰ প্ৰতি তোমাৰ দৃষ্টিভংগী কি? ব্ৰিটিছৰ ৰাজত্ব ভাৰতবৰ্ষৰ কাৰণে ভাল আছিলনে, বিষয়টোৰ ওপৰত শ্ৰেণীকোঠাত যুক্তিৰে আলোচনা কৰা।

সাম্প্ৰতিক অৱস্থা সম্বন্ধে তোমালোকে অষ্টম অধ্যায়ত অধিক জানিব পাৰিবা।

## 1.9 সামৰণি (Conclusion) ঃ

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়লৈকে দুই শতিকাজোৰা ঔপনিৱেশিক শাসনৰ প্ৰভাৱৰ বীজ ইতিমধ্যে দেশৰ অৰ্থব্যৱস্থাৰ সকলো দিশতে ৰোপিত হৈছিল। কৃষিখণ্ডটো ইতিমধ্যে উদ্বৃত্ত শ্ৰম আৰু অত্যন্ত নিম্ন উৎপাদনশীলতাৰ দ্বাৰা ভাৰাক্ৰান্ত হৈ উঠিছিল। উদ্যোগখণ্ডই আধুনিকীকৰণ, ভিন্নকৰণ, সক্ষমতাবৰ্ধন আৰু বৰ্ধিত ৰাজহুৱা বিনিয়োগৰ বাবে উদ্বাউল হৈছিল। বৈদেশিক বাণিজ্যক ব্ৰিটেইনৰ ঔদ্যোগিক বিপ্লৱৰ প্ৰতিপালমুখী কৰি তোলা হৈছিল। বিখ্যাত ৰে'ল ব্যৱস্থাকে ধৰি আন্তঃগাঁথনিৰ উন্নয়ন, সম্প্ৰসাৰণ আৰু জনমুখীকৰণৰ প্ৰয়োজন হৈছিল। তীব্ৰ দৰিদ্ৰতা আৰু নিবনুৱা সমস্যাৰ ব্যাপকতাৰ বাবে চৰকাৰী অৰ্থনৈতিক নীতিৰ প্ৰয়োজন হৈছিল। মুঠতে দেশখন বিপুল সামাজিক আৰু অৰ্থনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল।

### পুনৰুক্তি (Recap)

- স্বাধীনতাৰ পিছত ভাৰতবৰ্ষই লাভ কৰা অৰ্থনৈতিক উন্নয়নৰ বিষয়ে জানিবলৈ আৰু ইয়াৰ মূল্যায়নৰ বাবে প্ৰাক্-স্বাধীন কালৰ ভাৰতীয় অৰ্থব্যৱস্থাৰ এটা বোধৰ প্ৰয়োজন।
- ঔপনিৱেশিক শাসনকালত চৰকাৰৰ অৰ্থনৈতিক নীতিসমূহে উপনিৱেশসমূহৰ অৰ্থব্যৱস্থাৰ উন্নতি সাধন কৰাতকৈ ব্ৰিটিছৰ অৰ্থনৈতিক স্বাৰ্থৰ সুৰক্ষা আৰু অগ্ৰগতিত অধিক গুৰুত্ব আৰোপ কৰিছিল।
- ভাৰতবৰ্ষৰ জনসাধাৰণৰ বৃহত্তম অংশই জীৱিকাৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰশীল হোৱা সত্ত্বেও কৃষিখণ্ড স্থবিৰতাৰ বলি হৈছিল আৰু অধিক হাৰত ইয়াৰ অৱনতি ঘটিছিল।
- ব্ৰিটিছ চৰকাৰে প্ৰৱৰ্তন কৰা প্ৰণালীবদ্ধ নীতিসমূহে ভাৰতবৰ্ষৰ বিশ্ববিখ্যাত হস্তশিল্পসমূহক পতনলৈ ঠেলি দিছিল। অথচ, ইয়াৰ বিকল্প হিচাপে আধুনিক উদ্যোগৰ ভেটি গঢ়াত কোনো বিশেষ অৰিহণা যোগোৱা নাছিল।
- উপযুক্ত জনস্বাস্থ্য সেৱাৰ অভাৱ, সঘনাই হোৱা প্ৰাকৃতিক দুৰ্যোগ আৰু দুৰ্ভিক্ষই দুৰ্ভগীয়া ভাৰতীয় জনসাধাৰণক ভিকহুত পৰিণত কৰিছিল আৰু ফলত মৃত্যুৰ হাৰ অধিক হৈছিল।
- ঔপনিৱেশিক শাসকসকলে আন্তঃগাঁথনিমূলক সা-সুবিধাৰ উন্নয়নৰ বাবে কিছুমান পদক্ষেপ লৈছিল, কিন্তু এইবোৰৰ লগত নিজ স্বাৰ্থহে জড়িত আছিল। অৱশ্যে পৰৱৰ্তীকালত স্বাধীন ভাৰতীয় চৰকাৰে ইয়াৰ ভিত্তিতে দেশখনৰ ভৱিষ্যতৰ অৰ্থনৈতিক আৰু সামাজিক পৰিকল্পনাৰ সৌধ নিৰ্মাণ কৰিছিল।